AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্তন কৰা এটা বাইবেল অধ্যয়ণ!

## জীৱনৰ এখন নদী

২য় ৰাজাৱলি ৫:১-১৪

### কাহিনী ...



**নামান** অতি সাহসী, ধনী আৰু চিৰিয়া সৈন্যবিলাকৰ এজন বিখ্যাত সেনাপতি আছিল, যি বাইবেল সময়ৰ আটাইতকৈ মাৰাত্মক বেমাৰ কুষ্ঠৰোগৰ দ্বাৰাই আক্ৰান্ত আছিল। কুষ্ঠৰোগ হোৱাৰ অৰ্থ আছিল আপোন সকলৰ পৰা পৃথক হৈ নিলগত থকা আৰু এটা লেহেমীয়া, হতভগা মৃত্যুলৈ আগবাঢ়ি যোৱা। নামানৰ ঘৰত বনকৰা এজনী ইব্ৰীয়া ছোৱালীয়ে কৈছিল, ইস্ৰায়েলৰ মাজত থকা ইলীচা ভাৱবাদীৰ ওচৰলৈ যদি তাইৰ গৰাকীয়ে মাত্ৰ যায়, তেন্তে তেও নামানৰ কুষ্ঠৰোগ সুস্হ কৰিব।

সুস্হ হোৱাৰ যিকোনো আশাৰ বাতৰিৰ পৰা উপকাৰ লাভ কৰিবলৈ যিহেতু নামান সাজু আছিল, তেঁও ইস্ৰায়েল দেশলৈ দীঘলীয়া যাত্ৰা কৰিছিল। তেঁওৰ লগত গৈছিল তেওৰ ব্যক্তিগত দেহ-ৰক্ষীৰ এটা সৰু দল আৰু লগত লৈ গৈছিল আচৰিত আৰোগ্য লাভৰ নিমিত্তে পৰিশোধ কৰিবলৈ ৰজাৰ উপহাৰৰ টোপোলা। অৱশেষত যেতিয়া নামান ভাৱবাদী গৰাকীৰ সাধাৰন জুপুৰিটোৰ কাষত থিয় হৈছিলগৈ, ইলীচা কিন্তু বাহিৰলৈ ওলাই অহা নাছিল। ইয়াৰ পৰিবৰ্ত্তে তেঁও, তেঁওৰ দাস জনক এই নিৰ্দেশ দিবলৈ পঠিয়াই দিছিল, "তুমি গৈ যৰ্দ্দন নদীত সাতবাৰ জোবোৰা মাৰাগৈ তাতে তুমি শুচি হবা"। ২য় ৰাজাৱলি ৫:১০।

ধুবলৈ কোৱা ভাৱবাদীৰ আদেশটোৱে প্ৰকাৰান্তৰে ইয়াকে সূচাইছিল যে, নামান লেতেৰা বা অশুচি আছিল! সাতবাৰ জোবোৰা মাৰা- আৰু তাকো এখন বোকাময় পানীৰ নদীত, চিৰিয়াৰ এজন অহংকাৰী সেনাপতিৰ বাবে ইয়াতকৈ অপমানৰ কথা আন একো নাছিল। খং আৰু অপমানত ৰঙা-চিঙা পৰি, নামান তেঁওৰ ঘোৰাটোৰ লেকামত ধৰি ইয়াৰ ওপৰত বহি ঘৰমুৱা হৈছিল। কিন্তু দামাচকাচ গৈ পাবলৈ নামান যৰ্দ্দন নদী পাৰহৈ যাবলগীয়া আছিল। তেঁও যেতিয়া ইয়াক পাৰ হৈছিল, নামানৰ এজন দাসে তেওক কাতৰ অনুৰোধ কৰি ভাৱবাদী গৰাকীৰ পৰামৰ্শটোক কৰি চাবলৈ কৈছিল।গতিকে তেঁও তাতে ঘোৰাটো ৰখাইছিল, ঘোৰাৰ পৰা নামিছিল আৰু তেওৰ মাৰাত্মক কুষ্ঠৰোগ ঢাকি ৰখা তেওৰ আটাইবোৰ বস্ত্ৰ সোলোকাই এফলিয়াকৈ এঠাইত ৰাখিছিল। নামান লাহে লাহে যৰ্দ্দন নদীৰ পানীলৈ নামি গৈছিল। ছয় বাৰ পানীৰ তলত জোবোৰা মৰাৰ পিছতো তেঁও কোনো ফল পোৱা নাছিল, কিন্তু যেতিয়া তেঁও সপ্তমবাৰ জোবোৰা মাৰি উঠি আহিছিল, তেতিয়া গাত আৰু কুষ্ঠৰোগ নাছিল! তেঁওৰ চালবোৰ কেচুৱাৰ দৰে শুদ্ধ আৰু স্বাস্হ্যবান হৈ পৰিছিল।

স্বাস্হ্যৰ পুনৰুদ্ধাৰৰ অভিজ্ঞতা নামানে যেনেকৈ লাভ কৰিছিল, ঠিক তেনেকৈ আপুনিও এক আৰোগ্যজনক নতুন জন্মৰ অভিজ্ঞতা লাভ কৰিব পাৰে!



পাঠ নং-১২

# অধ্যয়ন

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়ি খালী ঠাইবোৰ পুৰন কৰক।*

১. **নতুন নিয়মৰ ভাৰবাদী বিলাকে যৰ্দ্দন নদীৰ পানীক বাপ্তিস্মৰ বাবে নে শুচিকৰনৰ বাবে ব্যৱহাৰ কৰিছিল বাৰু?**

**মথি ৩:১, ৫, ৬** *সেই কালত ______________________ ______________________ আহি, যিহুদিয়াৰ অৰণ্যত ঘোষনা কৰি কলে ... যিৰূচালেম আৰু গোটেই যিহুদিয়াৰ আৰু যৰ্দ্দনৰ ওচৰৰ গোটেই অঞ্চলৰ লোক ওলাই তেওৰ ওচৰলৈ গৈ ... তেওৰ দ্বাৰাই যৰ্দ্দন নদীত ______________________ হল।*

টোকা: শুভবাৰ্ত্তাৰ কাহিনীবোৰ বাপ্তিস্মৰ বিষয়টোৰে আৰম্ভনীও হয় আৰু অন্তও পৰে। অতি স্পষ্টকৈ ই যীচুৰ অতিশয় গুৰুত্বপূৰ্ণ উপদেশ (মথি ২৮:১৮, ১৯)।

২. **কুষ্ঠৰোগৰ পাপৰ পৰা ধুই শুচি হোৱা, কাৰ্য্যটোক বাইবেলৰ কোনটো গৌৰৱময় প্ৰকাৰে সুচোৱা হয়?**

**পাচনিকৰ্ম ২২:১৬** *উঠা আৰু তেওৰ নামত প্ৰাৰ্থনা কৰি ______________________ হৈ, নিজৰ পাপ ধুই পেলোৱা।*

টোকা: বাইবেলত থকা বাপ্তিস্মৰ যি বিধি সেয়ে এজন ব্যক্তিৰ জীৱনৰ পৰা পাপ ধুই শুচি কৰা বুজায় আৰু সেইদৰে এটা নতুন জন্ম পোৱা সূচায়।

৩. **বাইবেলৰ মতে, কিমাৰ প্ৰকাৰৰ বেলেগ বেলেগ বাপ্তিস্ম গ্ৰহনযোগ্য?**

**ইফিচীয়া ৪:৫** *প্ৰভু এক, বিশ্বাস এক, ______________________ ______________________।*

টোকা: অন্ততঃ আজিৰ তাৰিখত ১৫ প্ৰকাৰৰ বিভিন্ন ধৰ্ম্মীয়বিধি বোৰক বাপ্তিস্ম বুলি কোৱা যায়, কিন্তু বাইবেলৰ মতে এটা মাত্ৰ প্ৰকৃত বাপ্তিস্ম আছে।

৪. **বাপ্তিস্ম শব্দটোৰ অৰ্থটোনো কি বাৰু?**

**কলচীয়া ২:১২** *আৰু তোমালোকৰ বাপ্তিস্মত তেৰে সৈতে ______________________ থোৱা হলা, আৰু সেই বাপ্তিস্মতেই মৃতবিলাকৰ মাজৰ পৰা তেওক তোলা ঈশ্বৰৰ কাৰ্য্য-সাধনত যি বিশ্বাস, তাৰ দ্বাৰাই তেৰে সৈতে তোলাও হলা।*

টোকা: গ্ৰীক শব্দ “বাপ্তিজু” ৰ অৰ্থাত “বাপ্তিস্মৰ” অৰ্থ হৈছে “পানীৰ তলত ডুবাই দিয়া” বা “পানীৰ ভিতৰলৈ জোবোৰ” মাৰা। এজন ব্যক্তিৰ সেই তেতিয়ালৈ বাপ্তিস্ম নহয় যেতিয়ালৈ তেও সম্পূৰ্ণভাৱে পানীৰ তলত ডুব নাযায় বা পানীৰ ভিতৰত মৈদাম দিয়া নাযায়। বাপ্তিস্মৰ পবিত্ৰ বিধিৰ সংক্ৰান্তত বাইবেলত এই “বাপ্তিস্ম” শব্দটোক সদায়েই উল্লেখ কৰি অহা হয়। “ছটিউৱা” বা “ঢালি” দিয়া ইত্যাদি শব্দৰ বাবে এই গ্ৰীক শব্দটো কেতিয়াও ব্যৱহাৰ কৰা নহয়।

## ৫. যীচুৱে হৈছে আমাৰ আৰ্হি। তেঁও কেনেকৈ বাপ্তিষ্ম লৈছিল?

**মোৰ্ক ১:৯, ১০** *সেই সময়ত যীচু গালীল দেশৰ নাচৰতৰ পৰা আহি, যোহনৰ দ্বাৰাই যৰ্দ্দনত বাপ্তাইজিত হল। তেও* ____________________ ____________________ *উঠিলতেই, আকাশ দুফাল হৈ যোৱা, আৰু কপৌৰ নিচিনা তেওৰ ওপৰলৈ আত্মাক নমা দেখিলো।*

টোকা: যোহনে যীচুক সেই একেটা নদীতে পানীত ডুবাই দিয়াৰ দ্বাৰাই বাপ্তিষ্ম দিছিল যত নামানে কুষ্ঠৰোগৰ পৰা শুচি হৈছিল। মন কৰিব তেওবিলাক নদীত আছিল (নদীৰ পাৰত নাছিল) আৰু যীচু পানীৰ পৰা উঠি আহিছিল।এই কাৰনে যোহনে চালীমৰ ওচৰৰ ঐনোন গাৱত বাপ্তিষ্ম দি আছিল, কাৰন তাত বহুত পানী আছিল। যোহন ৩:২৩। খ্ৰীষ্টিয়ান বিলাকে যীচুৰ আৰ্হি অনুসৰন কৰিব লাগে, (১ম পিতৰ ২:২১), যি জনাই সকলো ধাৰ্ম্মিকতা সিদ্ধ কৰিবলৈ পাপীত ডুবাই দিয়া বাপ্তিষ্মৰ দ্বাৰাই বাপ্তাইজিত হৈছিল। মথি ৩:১৫।

## ৬. ইথিউপিয়াৰ (কুচ-দেশৰ) ধন-ভড়ালী জনক ফিলিপে কেনেকৈ বাপ্তিষ্ম দিছিল?

**পাচনিকৰ্ম ৮:৩৮, ৩৯** *ফিলিপ আৰু নপুংসক দুয়ো পানীত* ____________________*; আৰু ফিলিপে তেঁওক বাপ্তিষ্ম কৰিলে। পাছে তেওলোক* ____________________ ____________________*, প্ৰভুৰ আত্মাই ফিলিপক কাঢ়ি লৈ গল.।*

## ৭. বাপ্তিষ্মৰ দ্বাৰাই আৰু কি কি সত্যতাবোৰক সূচোৱা হয় বাৰু?

**ৰোমীয়া ৬:৪** *এতেকে পিতৃৰ মহিমাৰ দ্বাৰাই যেনেকৈ খ্ৰীষ্টক মৃতবিলাকৰ মাজৰ পৰা* ____________________ *হল, তেনেকৈ আমিও যেন জীৱনৰ নতুনতাত চলো, এই কাৰনে বাপ্তিষ্মৰ দ্বাৰাই তেৱে সৈতে মৃত্যুৰ উদ্দেশ্যে মৈদামত থোৱা হলো।*

টোকা: বাপ্তিষ্মই খ্ৰীষ্টৰ মৃত্যু, মৈদাম, আৰু পুনৰুত্থানক সূচায়। প্ৰথমতে পাপত মৃত্যু, তাৰ পাছত পানীৰ ভিতৰত পাপৰ পুৰনি জীৱনটোক মৈদাম দিয়া, আৰু অৱশেষত পানীৰ ভিতৰৰ পৰা এটা নতুন জীৱন লৈ পুনৰুত্থান হোৱা। পানীত ডুবাই দিয়াৰ দ্বাৰাই দিয়া বাপ্তিষ্মই এই প্ৰতীকিবোৰক সম্পূৰ্ণকৈ প্ৰতিফলিত কৰে। পাপপূৰ্ণ জীৱনটোৰ মৃত্যু হয়, যেতিয়া এজন ব্যক্তিক বাপ্তিষ্ম দিয়া হয়, তেতিয়া সি কিছু সময়ৰ বাবে উহাস বন্ধ কৰি লয় যেতিয়ালৈ তাৰ শৰীৰটো পানীৰ ভিতৰত সম্পূৰ্ণকৈ ডুব নাযায়, অৰ্থাত তাক পানীৰ ভিতৰত মৈদাম দিয়া নাযায়। তাৰ পাছত ব্যক্তিজন পানীৰ পৰা ওপৰলৈ উঠি আহে, এজন নতুনকৈ জন্মা শিশুৰ দৰে বিশুদ্ধ সজীৱ বায়ু সেৱন কৰে আৰু এক সম্পূৰ্ণ নতুন এটা জীৱন নিৱাহ কৰিবলৈ সংকল্প লয়, যিটোৱে নেকি পুনৰুত্থানক সূচায়। বাইবেলৰ এই প্ৰতীকি আন কোনো বাপ্তিষ্মৰ উপকৰনৰ লগত মিল নাখায়। কিছুমান মানুহে কয় যে তেওবিলাকে পুনৰুত্থানৰ প্ৰতি শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰিবলৈ দেওবাৰ দিনটো পালন কৰে, কিন্তু এনে ব্যৱস্হাৰ কথা বাইবেলত কেতিয়াও উল্লেখ কৰা নাই।

## ৮. বাপ্তিষ্ম কিমান গুৰুত্বপূৰ্ণ বিষয়?

**মাৰ্ক ১৬:১৬** *তাতে যিজনে বিশ্বাস কৰি বাপ্তাইজিত হয়, তেও* ____________________ *পাব; কিন্তু যি জনে অবিশ্বাস কৰে, তেওৰ দন্ডাজ্ঞা কৰা হব (হেৰাই যাব)।*

**যোহন ৩:৫** *জল আৰু আত্মাৰ পৰা জন্ম নাপালে, কোনেও ঈশ্বৰৰ ৰাজ্যত সোমাব* ____________________ *।*

টোকা: বাপ্তিস্মক অতিশয় আৱশ্যকীয় বুলি শাস্ত্ৰবাক্যৰ দ্বাৰাই স্পষ্টকৈ আদেশ কৰা হৈছে। যিকি নহওক, কেতিয়াবা যদি বাপ্তিস্ম লোৱাতো অসম্ভৱ হৈ পৰে, ক্ৰুচৰ ওপৰত ওলমি থকা সেই চোৰটোৰ দৰে, তেতিয়া যীচুৱে তেওৰ নিজৰ বাপ্তিস্মৰ ক্ৰেডিত খিনিক সেই ব্যক্তিজনক প্ৰদান কৰে (মথি ৩:১৫)।

## ৯. কি আৰ্শীবাদপূৰ্ণ উতসবৰ সৈতে বাপ্তিস্মক তুলনা কৰিব পাৰি বাৰু?

**গালাতীয়া ৩:২৭** *কাৰন তোমালোক যিমান মানুহ খ্ৰীষ্টৰ উদ্দেশ্যে বাপ্তাইজিত হলা, সেই সকলোৱেই ______________________ ______________________ ।*

টোকা: বাপ্তিস্ম বিবাহ উতসবৰ নিচিনা। বাইবেলে কৈছে, "কিয়নো তোমাৰ নিৰ্মাণকৰ্ত্তাই তোমাৰ স্বামী; বাহিনীবিলাকৰ যিহোৱা তেঁওৰ নাম" যিচয়া ৫৪:৫। যেনেকৈ এজনী তিৰোতাই তাইৰ বিবাহত তাইৰ স্বামীৰ নাম লয়, ঠিক তেনেকৈ খ্ৰীষ্টিয়ান সকলেও খ্ৰীষ্টৰ নাম লয়-আৰু তেতিয়াৰ পৰাই তেঁওবিলাকক খ্ৰীষ্টিয়ান বুলি মতা হয়। এই দুয়োটা উতসৱ যদি অৰ্থপূৰ্ণ হব লাগে, তেন্তে ই প্ৰেম আৰু সমৰ্পণৰ ওপৰত প্ৰতিষ্ঠিত হব লাগিব। বিবাহত সমৰ্পণ য়েনেকৈ অপৰিহাৰ্য্য, ঠিক তেনেকৈ খ্ৰীষ্টিয়ান জীৱনতো বাপ্তিস্ম একেদৰেই অপৰিহাৰ্য্য।

## ১০. যীচুৱে তেঁওৰ স্বৰ্গাৰোহনৰ ঠিক আগে আগে তেঁওৰ লোকসকলক কি আদেশ দি গৈছিল?

**মথি ২৮:১৯** *এই হেতুকে তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ, আৰু পবিত্ৰ আত্মাৰ নামেৰে তেঁওবিলাকক ______________________ কৰা।*

টোকা: পিতৰে এই আজ্ঞাটি পালন কৰিছিল যেতিয়া তেঁও পঞ্চাচ দিনীয়া পৰ্ব্বৰ দিনাখন অনুতাপিত লোকসকলক এইবুলি কৈছিল, "তোমালোকৰ পাপ মোচনৰ অৰ্থে মন পালটোৱা, আৰু যীচু খ্ৰীষ্টৰ নামেৰে প্ৰতিজন বাপ্তাইজিত হোৱা"। পাচনিকৰ্ম ২:৩৮।

## ১১. বাইবেল সম্পৰ্কীয় কি অৰ্হতাই বাপ্তিস্মলৈ আগবঢ়াই নিয়ে?

**ক.** *যীচুৰ উপদেশবোৰক বুজি পোৱা (মথি ২৮:১৯, ২০)।*

**খ.** *যীচুৰ আটাই উপদেশবোৰক বিশ্বাস কৰা (মাৰ্ক ১৬:১৬)।*

**গ.** *অতীতৰ পাপৰ বাবে অনুতপ্ত হোৱা (পাচনিকৰ্ম ২:৩৮)।*

**ঘ.** *আপোনাৰ সকলো হৃদয় আৰু মনেৰে বিশ্বাস কৰা (পাচনিকৰ্ম ৮:৩৭)।*

**ঙ.** *পাপৰ পৰা ঘুৰি আহিবলৈ সন্মত হোৱা (লূক ৩:৭,৮; ৰোমীয়া ৬:৫, ৬)।*

**চ.** *আপোনাৰ ব্যক্তিগত ত্ৰানকৰ্ত্তা হিচাপে খ্ৰীষ্টক গ্ৰহন কৰা আৰু নতুন জন্মৰ অভিজ্ঞতা লাভ কৰা (২য় কৰিন্থীয়া ৫:১৭; যোহন ৩:৩, ৫)।*

টোকা: যিহেতু ওপৰত দিয়া অৰ্হতাবোৰক এজন শিশুৱে অৰ্জন কৰিব নোৱাৰে, গতিকে ই অতি স্পষ্ট যে, এজন শিশুক বাপ্তিস্ম দিয়াতো শাস্ত্ৰসন্মত নহয়, যেতিয়ালৈকে সি শুভবাৰ্ত্তাৰ বিষয়ে ভালকৈ বুজি পোৱাৰ বয়স নাপায়।

## ১২. বাপ্তিস্মৰ আটাই নকল ব্যৱস্থাবোৰ কত প্ৰথমতে আৰম্ভ হৈছিল বাৰু?

**মাৰ্ক ৭:৮** *তোমালোকে ঈশ্বৰৰ আজ্ঞা এৰি, মানুহবিলাকৰ ______________________ ______________________ চলি অহা বিধি মানিছা।*

**টোকা:** বাইবেলৰ সময়ত আৰু কুৰুচত দিয়াৰ শ শ বছৰৰ পিছতো পানীৰ তলত ডুবাই দিয়াৰ দ্বাৰাই বাপ্তিস্ম দিয়া বিধি টোকেই পালন কৰা হৈছিল। তাৰ পাছত, ভুল পথে পৰিচালিত মানুহবিলাকে সুবিধা আৰু অসুবিধাৰ নামত আন কিছুমান বাপ্তিস্ম দিয়াৰ প্ৰথা উলিয়াইছিল। এইদৰে ঈশ্বৰৰ পবিত্ৰ বাপ্তিস্মৰ নিয়মটিক বিকৃত কৰা হৈছিল আৰু ইয়াৰ বিশাল প্ৰতীকিৰ অৰ্থবোৰক অস্পষ্ট কৰি পেলোৱা হৈছিল।

## ১৩. বাইবেলে সেই সকল লোকৰ বিষয়ে কি কৈছে যি সকলে ঈশ্বৰৰ সত্যতাৰ আগত মানুহৰ উপদেশবোৰক সুমুৱাই লৈছে?

**মথি ১৫:৯** *আৰু মানুহৰ ______________________ উপদেশ বুলি শিকাই, তেঁওবিলাকে ______________________ মোক ভক্তি কৰে।*

**গালাতীয়া ১:৮** *কিন্তু আমি তোমালোকৰ আগত যি শুভবাৰ্ত্তা প্ৰচাৰ কৰিলো, তাৰ বাহিৰে আন শুভবাৰ্ত্তা, আমিয়েই হওক, বা স্বৰ্গৰ দূতেই হওক, কোনোৱে যদি তোমালোকৰ আগত প্ৰচাৰ কৰে, তেন্তে তেঁও শাপগ্ৰস্ত হওক।*

## ১৪. কিন্তু পবিত্ৰ আত্মাত হোৱা বাপ্তিস্মই পানীত ডুবাই বাপ্তিস্ম দিয়া বিধিটোক প্ৰতিসৰিত কৰা নাই জানো?

**পাচনিকৰ্ম ২:৩৮** *তাতে পিতৰে তেওবিলাকক কলে, তোমালোকৰ পাপ মোচনৰ অৰ্থে ______________________ ______________________, আৰু যীচু খ্ৰীষ্টৰ নামেৰে প্ৰতিজন বাপ্তাইজিত হোৱা তেহে তোমালোকে পবিত্ৰ আত্মা দান পাবা।*

**টোকা:** প্ৰতিসাৰিত নাই কৰা! লক্ষ্য কৰক যেতিয়া পিতৰে উপদেশ দি আছিল (পাচনিকৰ্ম ১০:৪৪-৪৮), তেতিয়া তেঁওৰ উপদেশ শুনি থকা সকলোৰে ওপৰত পবিত্ৰ আত্মা পৰিছিল, তাৰ ভিতৰত বহুকেইজন বাপ্তিস্ম নোলোৱা ব্যক্তিও আছিল। কিন্তু তথাপিও তেঁওবিলাকে ইতিমধ্যে পবিত্ৰ আত্মাৰ বাপ্তিস্ম লাভ কৰিছিল, পিতৰে তেঁওবিলাকক টানি অনুৰোধ কৰিছিল তেঁওবিলাকে যেন একেদৰে পানীত বাপ্তিস্ম লয়।

## ১৫. পুনৰবাৰ বাপ্তিস্ম লোৱাতো যুক্তি সংগত নে?

**পাচনিকৰ্ম ১৯:২-৫** *তেঁওলোকক সুধিলে, "যেতিয়া তোমালোকে বিশ্বাস কৰিলা, তেতিয়া পবিত্ৰ আত্মা পালা নে?" তেঁওলোকে তেঁওক কলে, "পবিত্ৰ আত্মা দিয়া হৈছে নে নাই, তাক আমি শুনিবলৈকে নাপালোঁ"। তেঁও কলে, "তেনেহলে তোমালোকে কিহলৈ বাপ্তাইজিত হলা?" তেঁওলোকে কলে, "যোহনৰ বাপ্তিস্মলৈ"। তাতে পৌলে কলে, যোহনে মানুহবিলাকক কৈছিল, যি জনা মোৰ পাছত আহিছে, তেঁওত, অৰ্থাত যীচুত বিশ্বাস কৰা এইবুলি তেঁও তেঁওলোকক মন-পালটনৰ বাপ্তিস্মেৰে বাপ্তাইজ কৰিলে। এই কথা ______________________ তেঁওলোক প্ৰভু যীচুৰ নামেৰে ______________________ হল।*

টোকা: এদিনাখন পৌল যেতিয়া ইফিচীয়াত উপদেশ দি আছিল, তেতিয়া তেঁও ১২ গৰাকী মানুহ লগ পাইছিল যিবিলাকে যোহন ডুবকৰ দ্বাৰাই বাপ্তিষ্ম পাইছিল, কিন্তু তেঁওবিলাকে পবিত্ৰ আত্মাৰ বিষয়ে কেতিয়াও শুনা নাছিল। গতিকে যেতিয়া তেঁওলোকে এই অতিৰিক্ত নতুন পোহৰ লাভ কৰিছিল, তেঁওলোকে লগে লগে পুনৰবাৰ বাপ্তিষ্ম লৈছিল। ঠিক তেনেদৰে এজন ব্যক্তি যদি সম্পূৰ্ণকৈ তেঁওৰ খ্ৰীষ্টিয়ান অভিজ্ঞতা হেৰুৱাই লয়, প্ৰভুলৈ ঘুৰি আহিবলৈ তেঁও পুনৰবাৰ বাপ্তিষ্ম লোৱা উচিত। পুনৰবাৰ বাপ্তিষ্ম সেই ব্যক্তিজনো লোৱা উচিত যদি ব্যক্তিজনে বাইবেলৰ বিধি অনুযায়ী বাপ্তাইজিত হোৱা নাই।

### ১৬. এটা মন্ডলিত অন্তৰ্ভুক্ত হোৱাৰ সৈতে বাপ্তিষ্ম লোৱা বিষয়টোৰ সম্পৰ্ক আছে নে?

**পাচনিকৰ্ম ২:৪১** *তেতিয়া যিবিলাকে তেঁওৰ কথা গ্ৰাহ্য কৰিলে, তেঁওবিলাক ____________________ হল। তাতে সেই দিনাই তিনি হাজাৰমান মানুহ তেঁওবলাকৰ লগত লগ লগোৱা হল।*

**পাচনিকৰ্ম ২:৪৭** *ঈশ্বৰৰ স্তুতি কৰি, সকলো লোকৰ আদৰৰ পাত্ৰ হল। আৰু প্ৰভুৱে দিনে দিনে পৰিত্ৰাণ পোৱাবিলাকক ____________________ লগত লগ লগাই থলে।*

**কলচীয়া ৩:১৫** *তোমালোক তাৰ কাৰনেই এক ____________________ আমন্ত্ৰিত হলা.।*

**কলচীয়া ১:১৮** *তেঁৱেই ____________________ শৰীৰৰ মূৰ।*

**১ম কৰিন্থীয়া ১২:১৩** *সকলোৱেই ____________________ শৰীৰ হবলৈ এক আত্মাত বাপ্তাইজিত হলো।*

টোকা: শাস্ত্ৰবাক্যবোৰ একেবেৰেই নিঃসন্দেহযুক্ত। ঈশ্বৰৰ আটাইবোৰ লোককে এক শৰীৰ বুলি কোৱা হৈছে, যাক মন্ডলি বোলা হয়, আৰু বাপ্তিষ্মৰ দ্বাৰাই আমি ইয়াৰ ভিতৰত সোমাও। জন্ম হোৱাৰ পিছত এটি শিশুক পোহপাল, প্ৰতিৰক্ষা আৰু বৃদ্ধিৰ নিমিত্তে, এটা পৰিয়ালত ৰখা হয়।

### ১৭. যদি মই বাপ্তিষ্ম লবলৈ অমান্তি হওঁ, তেন্তে মই কাৰ পৰামৰ্শক অগ্ৰাহ্য কৰোঁ?

**লূক ৭:৩০** *কিন্তু ফৰীচী আৰু বিধান পন্ডিত সকলে তেঁওৰ দ্বাৰাই বাপ্তাইজিত নহৈ ____________________ ____________________ নিজৰ অৰ্থে বিফল কৰিলে।*

### ১৮. যেতিয়া যীচু বাপ্তাইজিত হৈছিল, তেঁওৰ পিতৃয়ে কি কৈছিল?

**মাৰ্ক ১:৯, ১১** *সেই সময়ত যীচু গালীল দেশৰ নাচৰতৰ পৰা আহি, যোহনৰ দ্বাৰাই যৰ্দ্দনত বাপ্তাইজিত হল। ... আৰু এই আকাশী বানী হল যে, "তুমি মোৰ প্ৰিয় পুত্ৰ; তোমাত মই ____________________ ____________________"।*

টোকা: যেতিয়াই ঈশ্বৰৰ কোনোবা সন্তানে নিজৰ পাপৰ নিমিত্তে খেদ কৰি অনুতপ্ত হয় আৰু বাপ্তাইজিত হয়, তেঁও পৰম সন্তুষ্ট লভে।

# আপোনাৰ সহাৰি

*বাপ্তিস্মৰ পবিত্ৰ বিধিৰ বাবে আপুনি নিজকে সাজু কৰিবলৈ আৰম্ভ কৰিব নে যাতে ঈশ্বৰে আপোনাৰ পক্ষে কব পাৰে, এওঁ মোৰ প্ৰিয় পুত্ৰ (পুত্ৰী), যাৰ ওপৰত মই পৰম সন্তুষ্ট?*

***উত্তৰ:*** ________________________।

আপুনি যদি বাপ্তিস্মৰ বিষয়ে অধিক জানিবলৈ বিচাৰে তেন্তে পাদ্ৰী বা গ্ৰুপ লিডাৰৰ সৈতে যোগাযোগ কৰিব পাৰিব যিবিলাকে এই অধ্যয়ন পাঠ চলাই আছে আৰু আপোনাৰ আগ্ৰহৰ কথা জানিবলৈ ইচ্ছা কৰিছে।

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## বাপ্তিষ্মৰ আৰ্হি

পাপৰ পৰা শুচি হোৱাৰ প্ৰয়োজনৰ নিমিত্তে যীচু বাপ্তিষ্ম লোৱা নাছিল, কাৰন তেঁও নিস্পাপ আছিল (১ম পিতৰ ২:২২)। সেই কাৰনে যীচুৱে যৰ্দ্দন নদীলৈ আহি যোহনৰ দ্বাৰাই বাপ্তাইজিত হোৱাৰ কথা কওঁতে যোহন ডুবক ইমানেই বিবুদ্ধি হৈ পৰিছিল যাৰ বাবে তেঁও এইবুলি কৈছিল, "আপোনাৰ দ্বাৰাই বাপ্তাইজিত হবৰ মোৰ আৱশ্যক; এনে স্হলত আপুনি মোৰ ওচৰলৈ আহিছে নে?" মথি ৩:১৪।

তেন্তে যীচুৱে কিয় বাপ্তাইজিত হৈছিল? ইয়াৰ তিনিটা কাৰন আছে। প্ৰথমটো হৈছে, তেঁও সেই সকল লোকৰ বাবে বাপ্তিষ্ম লৈছিল যি সকলে নিজে বাপ্তিষ্ম লবলৈ অসমৰ্থ। কেতিয়াবা যেতিয়া মানুহে কাৰাগাৰত থাকোতে নাইবা হস্পিতালত থাকোতে প্ৰভুক গ্ৰহন কৰে, তেনে পৰিস্হিতিত তেঁওলোকক বাপ্তিষ্ম লবলৈ অনুমতি দিয়া নহয়। এনেকুৱা পৰিস্হিতিত যীচুৱে তেঁওৰ বাপ্তিষ্মৰ ক্ৰেডিতটোক তেঁওলোকক প্ৰদান কৰে। ক্ৰুচৰ ওপৰত উলমি থকা চোৰটো এটা জলন্ত উদাহৰন (লূক ২৩:৪৩)। দ্বিতীয়টো হৈছে, যীচুৱে এটা আৰ্হি হিচাপে বাপ্তিষ্ম লৈছিল যাতে আমি তেঁওৰ পদাঙ্কন অনুসৰন কৰো (১ম পিতৰ ২:২১)। আৰু তৃতীয়টো হৈছে, যীচুৱে বাপ্তিষ্ম লৈছিল যাতে আমি তেঁওৰ অভিজ্ঞতাক অধ্যয়ন কৰাৰ দ্বাৰাই আমিও জানিবলৈ পাৰো বিশ্বাসৰ দ্বাৰাই কি আকাংখ্যা কৰিব পাৰি।

ইয়াৰ বিষয়ে সবিশেষ ব্যাখ্যা কৰিবলৈ আহক তলত দিয়া পদ কেইটা আখৰে আখৰে চাওহক আৰু চাই লওহক আমাৰ বাপ্তিষ্মৰ পৰা আমি কি আকাংখ্যা কৰিব পাৰো। মথি ৩:১৬ আৰু ১৭ পদত এইদৰে লিখা আছে: পাছে যীচু বাপ্তাইজিত হৈ, তেতিয়াই পানীৰ পৰা উঠিল; আৰু চোৱা, স্বৰ্গৰ দুৱাৰ তেঁওলৈ মুকলি হল, আৰু ঈশ্বৰৰ আত্মাক কপৌৰ নিচিনা নামি আহি, নিজৰ ওপৰত পৰা দেখিল। আৰু চোৱা, এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট, এই আকাশী বানী হল।

| | | |
|---|---|---|
| "স্বৰ্গৰ দুৱাৰ মুকলি হল" | = | আমি ঈশ্বৰক পোৱাৰ পথ সুগম হল। |
| "তেঁও দেখিলে" জ্ঞান বোধ | = | আমাৰ আত্মিক চকুবোৰ মুকলি হল, আমাক নতুন বোধশক্তি প্ৰদান কৰা হল |
| "ঈশ্বৰৰ আত্মা" | = | আমি তেঁওৰ পৰিচালনাক চিনি পোৱা হলো। |
| "এটা কপৌৰ দৰে নামি আহিছিল" | = | লাহে ধীৰে আমাৰ হৃদয়লৈ শান্তি সোমাই আহিল। |
| "স্বৰ্গৰ পৰা এটা মাত ভাহি আহিল" | = | আমি সেই মৃদু, সৰু মাতটি শুনিবলৈ আৰম্ভ কৰিম। |
| "মোৰ প্ৰিয় পুত্ৰ" | = | আমি তেঁওৰ ৰাজকীয় পৰিয়ালৰ তোলনীয় সন্তান হলো আৰু এখন বেলেগ ৰাজ্যৰ নাগৰিক হলো। |
| "মই পৰম সন্তুষ্ট" | = | ঈশ্বৰে আমাক সম্পূৰ্ণকৈ গ্ৰহন আৰু ক্ষমা কৰিলে। |



Panorama of Prophecy, Lesson 12
©2024 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
অধিক উত্থানশীল, জীৱন পৰিৱৰ্ত্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক **Bookstore.AFTV.in**